# REGIONAL NEWS UNIT
# AKASHVANI GUWAHATI
0000000000

**Date : 15-07-2024**
**Time : 19-10 Hrs**

**ASSAMESE EVENING BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::

১। কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী জয়ন্ত চৌধৰীয়ে কৈছে যে, দক্ষতা ভাৰত আঁচনিৰ অধীনত এতিয়ালৈকে দেশৰ ১ কোটি ৪৬ লাখৰো অধিক লোকক বিভিন্ন বিভাগত দক্ষ কৰি তোলা হৈছে।

২। কে পি শৰ্মা অ'লীয়ে আজি নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱ নিযুক্ত প্ৰধানমন্ত্ৰী শ্ৰীঅ'লীক শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ বান পৰিস্থিতিৰ বুজ লয়।

৪। নতুন দিল্লীত আজি ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰতিষ্ঠা তথা প্ৰযুক্তি দিৱস দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। ***আৰু***

৫। এন টি এ অৰ্থাৎ ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ভুক্তভোগী পৰীক্ষাৰ্থীৰ বাবে স্নাতক পৰ্যায়ত নামভৰ্তিৰ উমৈহতীয়া প্ৰৱেশ পৰীক্ষা Cuet-UGৰ পুনৰ পৰীক্ষা অনুষ্ঠিত কৰিব বুলি ঘোষণা কৰিছে।

০০০০

কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী জয়ন্ত চৌধৰীয়ে কৈছে যে, দক্ষতা ভাৰত আঁচনিৰ অধীনত এতিয়ালৈকে দেশৰ ১ কোটি ৪৬ লাখৰো অধিক লোকৰ বিভিন্ন বিভাগত দক্ষতা বিকশাই তোলা হৈছে। বিশ্ব যুৱ দক্ষতা দিৱস উপলক্ষে আজি নতুন দিল্লীত আয়োজিত অনুষ্ঠানত শ্ৰীচৌধৰীয়ে কয় যে, ১০ বছৰৰ পূৰ্বে আমাৰ দেশত দক্ষতা বিকাশ আৰু উদ্যমিতাৰ ক্ষেত্ৰখনৰ বাবে এটা সুকীয়া মন্ত্ৰালয় গঠন কৰা হৈছিল আৰু তাৰ পিছৰে পৰা এই ক্ষেত্ৰখনত দেশে এটা বিশেষ যাত্ৰা অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছে। যোৱা ১০ টা বছৰৰ সাফল্যৰ পৰা লাভ কৰা শিক্ষা আৰু অভিজ্ঞতাৰে পুষ্ট তেওঁৰ মন্ত্ৰালয়ে দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাত সম্ভৱপৰ সকলো ধৰণৰ অৰিহণা যোগাব বুলিও মন্ত্ৰীগৰাকীয়ে লগতে কয়। এইবছৰৰ বিষয়বস্তু শান্তি আৰু বিকাশ বুলিও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত শ্ৰীচৌধৰীয়ে দক্ষতা বিকাশৰ প্ৰশিক্ষণ লাভ কৰা যুৱক-যুৱতীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে প্ৰশিক্ষকসকলক সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০

কে পি শৰ্মা অ'লীয়ে আজি নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। তেওঁৰ লগতে নকৈ গঠিত মিত্ৰজোটৰ ৪ টা দলৰ ২১ গৰাকী মন্ত্ৰীয়েও শপতগ্ৰহণ কৰে। কাঠমাণ্ডুৰ ৰাষ্ট্ৰপতি ভৱনৰ শীতল নিবাসত ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পাউড়েলে তেওঁলোকক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। অ'লী নেতৃত্বাধীন কেবিনেটত বৰ্তমান এন চি, ইউ এম এল, জনতা সমাজবাদী পাৰ্টি আৰু লোকতান্ত্ৰিক সমাজবাদী পাৰ্টিৰ মন্ত্ৰীসকল অন্তৰ্ভুক্ত

হৈছে। নেপালী কংগ্ৰেছ দলৰ প্ৰকাশ মানসিং আৰু চি পি এন-ইউ এম এল দলৰ বিষ্ণুপ্ৰসাদ পাউড়েলক উপ প্ৰধানমন্ত্ৰী হিচাপে নিয়োগ কৰা হৈছে। শপতগ্ৰহণ অনুষ্ঠানত উপ ৰাষ্ট্ৰপতি ৰাম ছাহায়া প্ৰসাদ য়াদৱ, প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা নেপালী কংগ্ৰেছৰ সভাপতি শ্বেৰ বাহাদুৰ দেউবা, প্ৰাক্তন প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল প্ৰচণ্ডকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা কে পি শৰ্মা অ'লীক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে এটা বাৰ্তাত কয় যে, তেওঁ ভাৰত আৰু নেপালৰ মাজৰ বন্ধুত্বক দৃঢ়তৰ কৰি তোলাৰ লগতে দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত একেলগে কাম কৰি যাব।

আনহাতে, বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আৰজু ৰানা দেউবাক নেপালৰ বিদেশ মন্ত্ৰীৰূপে নিযুক্তি লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। এটা বাৰ্তাত ড০ জয়শংকৰে নেপালৰ নৱ নিযুক্ত বিদেশ মন্ত্ৰীগৰাকীৰ সৈতে দুয়োখন দেশৰ বহুমুখী অংশীদাৰিত্ব আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত একেলগে কাম কৰি যোৱাৰ আশা প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ বান পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে ৰাজ্যখনৰ শেহতীয়া বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক ৰাজ্যৰ বান পৰিস্থিতিৰ বিৱৰণ দাঙি ধৰে। বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত ৰাজ্যখনক সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সম্ভৱপৰ সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী শ্বাহে মুখ্যমন্ত্ৰীক অৱগত কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও ব্ৰহ্মপুত্ৰ, বুঢ়ী দিহিং আৰু দিচাং নৈৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। শেহতীয়া তথ্য অনুসৰি ৰাজ্যত বানৰ ফলত ৯৩ জন লোকৰ মৃত্যু হৈছে।

০০০০

ওড়িশাৰ পুৰীত আজি বিশ্বপ্ৰসিদ্ধ বহুড়া যাত্ৰা অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে, ভগৱান জগন্নাথ, তেওঁৰ জ্যেষ্ঠ ভাতৃ বলভদ্ৰ, তেওঁলোকৰ ভগ্নী দেৱী সুভদ্ৰা আৰু ভগৱান সুদাশনৰ গুণ্ডিছা মন্দিৰৰ পৰা শ্ৰীমন্দিৰলৈ উভতনি ৰথ যাত্ৰা বহুড়া যাত্ৰাৰূপে জনাজাত। দেশ বিদেশৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ ভক্তগণ বহুড়া যাত্ৰাত ভাগ লবলৈ ইতিমধ্যে পুৰীত উপস্থিত হৈছে। আজিৰে পৰা আৰম্ভ হোৱা বহুড়া যাত্ৰাৰ পাছত অহা বুধবাৰে দেৱ-দেৱীসকলৰ নিজ নিজ ৰথতে সুনাবেশা পৰ্ব আয়োজিত হ'ব। বৃহস্পতিবাৰে আধাৰপনা পৰ্ব অনুষ্ঠিত হোৱাৰ পাছত অহা শুকুৰবাৰে চাৰিওগৰাকী দেৱ-দেৱী শ্ৰীজগন্নাথ মন্দিৰত তেওঁলোকৰ মূল স্থানত পুনৰায় অধিস্থিত হোৱাৰ পাছত নীলাদ্ৰী বিজে পৰ্ব আয়োজন কৰা হ'ব।

০০০০

কয়লা মন্ত্ৰালয়ে আজি সপ্তম খেপৰ দ্বিতীয় প্ৰচেষ্টাৰ অধীনত ৩টা কয়লাখনিৰ নিলামৰ বাবে কয়লা খনন বিকাশ তথা উৎপাদন চুক্তি ৰূপায়ণ কৰিছে। বাণিজ্যিক কয়লা খননৰ ক্ষেত্ৰত হোৱা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে মাছকাটা কয়লাখনি, কুদানালী লুবৰি কয়লাখনি আৰু সাখিগোপাল বি কাকুৰী কয়লাখনিত এই চুক্তি ৰূপায়ণ কৰা হৈছে। এন এল চি ইণ্ডিয়া লিমিটেড, গুজৰাট মিনাৰেল ডেভেলপমেণ্ট কৰ্পৰেশ্বন লিমিটেড আৰু তামিলনাডু জেনেৰেশ্বন এণ্ড ডিষ্ট্ৰিবিউছন কৰ্পৰেশ্বন লিমিটেডে এই প্ৰকল্পৰ নিবিদা লাভ কৰিছে। এই তিনিটা কয়লাখনিৰ পৰা

৩ হেজাৰ কোটি টকা বাৰ্ষিক ৰাজহ আহৰণ হ'ব বুলি অনুমান কৰা হৈছে। এবাৰ কাৰ্যক্ষম হোৱাৰ পাছত এই খনিসমূহৰ জৰিয়তে ৪০ হাজাৰ প্ৰত্যক্ষ তথা পৰোক্ষ নিযুক্তিৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

০০০০

বিক্ৰম মিশ্ৰীয়ে আজি দেশৰ বিদেশ সচিবৰ দায়িত্বভাৰ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বৰ বিদেশ সচিব বিনয় মোহন কোৱাট্ৰাৰ কাৰ্যকাল কালি শেষ হয়। শ্ৰীমিশ্ৰী হৈছে ১৯৮৯ বেটছৰ ভাৰতীয় বিদেশ সেৱাৰ এগৰাকী বিষয়া। তেওঁ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদ সচিবালয়ত উপ ৰাষ্ট্ৰীয় সুৰক্ষা পৰামৰ্শদাতা হিচাপে কৰ্মৰত আছিল। তদুপৰি তেওঁ চীন, ম্যানমাৰ আৰু স্পেইনত ভাৰতীয় দূত হিচাপে সেৱা আগবঢ়াইছিল। শ্ৰীমিশ্ৰীয়ে ১৯৯৭ চনত ইন্দৰ কুমাৰ গুজৰাল, ২০১২ চনত মনমোহন সিং আৰু ২০১৪ চনত নৰেন্দ্ৰ মোদী এই তিনিগৰাকী প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত সচিব হিচাপেও কৰ্মৰত আছিল।

০০০০

নতুন দিল্লীত আজি ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰতিষ্ঠা তথা প্ৰযুক্তি দিৱস দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। কাৰ্যসূচীৰ প্ৰথম দিনা আজি বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক কৃষি তথা আনুসংগিক প্ৰযুক্তিসমূহৰ বিষয়ে জ্ঞান আহৰণৰ বাবে আমন্ত্ৰণ জনোৱা হয়। এই উপলক্ষে আয়োজিত কৃষি উদ্ভাৱন তথা প্ৰযুক্তি সম্পৰ্কীয় প্ৰদৰ্শনীতো শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। কৃষি আৰু কৃষক উন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কাইলৈ আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী মুকলি কৰিব। এই অনুষ্ঠানত কৃষি তথা কৃষক উন্নয়ন ৰাজ্যমন্ত্ৰী ভগীৰথ চৌধুৰী আৰু ৰামনাথ ঠাকুৰ উপস্থিত থাকিব। কৃষি গৱেষণা আৰু শিক্ষা বিভাগৰ সচিব তথা ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সঞ্চালক প্ৰধান হিমাংশু পাঠকে আজি এখন সংবাদমেলৰ জৰিয়তে পৰিষদৰ কেইবাটাও উল্লেখযোগ্য পদক্ষেপ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে জল ব্যৱস্থাপনা, ভূমি স্বাস্থ্য, জৈৱিক কৃষি, বীজ প্ৰযুক্তি তথা কৃষি সজুলি সম্পৰ্কীয় বিভিন্ন শেহতীয়া বিকাশৰ ওপৰত আলোকপাত কৰে।

০০০০

এন টি এ অৰ্থাৎ ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ভুক্তভোগী পৰীক্ষাৰ্থীৰ বাবে স্নাতক পৰ্যায়ত নামভৰ্তিৰ উমৈহতীয়া প্ৰৱেশ পৰীক্ষা Cuet-UGৰ পুনৰ পৰীক্ষা অনুষ্ঠিত কৰিব বুলি ঘোষণা কৰিছে। এই পৰীক্ষা অহা ১৯ জুলাইত অনুষ্ঠিত হ'ব। সকলো ভুক্তভোগী পৰীক্ষাৰ্থীলৈ ই-মেইল যোগে এই খবৰ প্ৰেৰণ কৰা হৈছে। পৰীক্ষাৰ্থীসকলক প্ৰৱেশ-পত্ৰ শীঘ্ৰেই প্ৰদান কৰা হ'ব।

০০০০

উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এয়ে নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত ৰাজস্থান উচ্চ ন্যায়ালয়ত অমীমাংসিত হৈ থকা আবেদনৰ স্থানান্তৰ বিচাৰি কৰা এলানি নতুন আবেদন সন্দৰ্ভত আজি জাননী জাৰি কৰিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্দিৱালা তথা ন্যায়াধীশ মনোজ মিশ্ৰৰ বিচাৰপীঠে ৰাজস্থান উচ্চ ন্যায়ালয়ৰ আবেদনকাৰীসকললৈ জাননী জাৰি কৰাৰ লগতে এই সন্দৰ্ভত অমীমাংসিত হৈ থকা বিষয়সমূহৰ সৈতে স্থানান্তৰৰ আবেদনসমূহকো সংযুক্ত কৰে। অৱশ্যে বিচাৰপীঠে বিষয়টো ৰাজস্থান উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকাৰ বাবে এই সন্দৰ্ভত আনুষ্ঠানিক নিৰ্দেশনা জাৰি কৰাৰ পৰা বিৰত থাকে।

০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **উচ্চ ৰক্তচাপ আৰু ইয়াৰ সমাধান** সন্দৰ্ভত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ হৃদৰোগ বিভাগৰ অধ্যাপক ডাঃ ৰাকেশ যাদৱ আৰু খাদ্য বিশেষজ্ঞ ডাঃ ৰিছা জয়ছোৱালৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি উচ্চ ৰক্তচাপ বিভিন্ন লক্ষণ, প্ৰতিৰোধ তথা সুস্থ জীৱন শৈলীৰ সৈতে জড়িত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০

ঃঃ সমাপ্ত ঃঃ